# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

অসম চৰকাৰৰ খিলঞ্জীয়া, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ অধীনৰ অসম প্ৰত্নতত্ব সঞ্চালকালয়ে আজি চৰাইদেউ মৈদামক্ষেত্ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃত হোৱাৰ বৰ্ষপূৰ্তি অনুষ্ঠান অনুষ্ঠিত কৰে। বিগত বৰ্ষৰ আজিৰ দিনটোতে নতুন দিল্লীত অনুষ্ঠিত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য সমিতিৰ সন্মিলনত চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছিল। এই উপলক্ষে আজি চৰাইদেউ মৈদামক্ষেত্ৰত টাই-আহোমৰ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি বান্-ফি অনুষ্ঠানৰ আয়োজন কৰা হয়। বৰ্ষপূৰ্তি অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইৰ উপৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চৰাইদেই মৈদাম ক্ষেত্ৰত পৰ্যটকৰ সংখ্যা বৃদ্ধিয়ে আশাৰ বতৰা কঢ়িয়াই অনাৰ লগতে এই অঞ্চলৰ যুৱক-যুৱতীসকলকো আৰ্থিকভাৱে সবল হোৱাৰ পথ মুকলি কৰি বুলি পৰিবহণ মন্ত্ৰী যোগেন মহনে প্ৰকাশ কৰে।

ooooo

১৯৯৯ চনৰ কাৰ্গিল যুদ্ধক সুঁৱৰি আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদ্‌যাপন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানতো শ্বহীদ সেনা জোৱানসকলক সুঁৱৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। গুৱাহাটীৰ দীঘলীপুখুৰীৰ ৰাজ্যিক যুদ্ধ স্মাৰকত শ্বহীদ স্মৰণ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধা জনাই দেশৰ হকে পৰম বীৰত্বৰে যুঁজ দিয়া সাহসী জোৱানসকলক সোঁৱৰে। কাৰ্গিল যুদ্ধৰ গুৰুত্বৰ কথা উল্লেখ কৰি শ্ৰীআচাৰ্যই অতি প্ৰতিকুল পৰিৱেশত সেনাবাহিনীয়ে পাকিস্তানৰ বিৰুদ্ধে যুঁজ দি জয়লাভ কৰাৰ বীৰ গাথাত আলোকপাত কৰে। ৰাজ্যপালগৰাকীয়ে কেপ্টেইন বিক্ৰম বাট্ৰা, কেপ্টেইন জিণ্টু গগৈ আৰু অন্যান্য শ্বহীদসকলৰ ত্যাগে পৰৱৰ্তী প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত বীৰ ছহিদ জিণ্টু গগৈৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়।

গোলাঘাট জিলাৰ খুমটাইত আজি দিনজোৰা কাৰ্যসূচীৰে কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হয়। জাচিংফা লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত আৰু শ্বহীদ জিণ্টু গগৈৰ পৰিয়ালৰ সহযোগত শ্বহীদগৰাকীৰ সমাধিক্ষেত্ৰত এই দিৱস উদযাপন কৰা হয়। গোলাঘাট জিলাৰ প্ৰাক্তন সৈনিকসকলৰ লগতে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই শ্বহীদ জিণ্টু গগৈৰ সমাধিত শ্ৰদ্ধাঞ্জলি জনায়।

কাৰ্গিল যুদ্ধৰ শ্বহীদ শিলচৰৰ নন্দচান্দ সিংহৰ শ্বহীদবেদীত আজি মন্ত্ৰী কৌশিক ৰায়ৰ লগতে বিজেপিৰ নেতা-কৰ্মী তথা জনসাধাৰণে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মাত্ৰ ২২ বছৰ বয়সতে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ জোৱানগৰাকীৰ মাতৃক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ১৯৯৯ চনত পাকিস্তান আৰু ভাৰতৰ মাজত হোৱা কাৰ্গিল যুদ্ধত ভাৰতে জয়লাভ কৰা আজি ২৬ বছৰ সম্পূৰ্ণ হৈছে।

ooooo

মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ৰাজ্যসভাত এই সন্দৰ্ভত উত্থাপন কৰা প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত ৰাজ্যখনত ১৩ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ পুনৰ ছমাহলৈ বৃদ্ধি কৰা হয়। সেই অনুসৰি ২০২৬ চনৰ ১৩ ফেব্ৰুৱাৰী পৰ্যন্ত মণিপুৰত ৰাষ্ট্ৰপতি শাসন বাহাল থাকিব। উল্লেখযোগ্য যে গোষ্ঠীগত সংঘৰ্ষক লৈ মণিপুৰৰ পৰিস্থিতি অস্থিৰ হৈ পৰাৰ পাছত যোৱা ৯ ফেব্ৰুৱাৰীত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে পদত্যাগ কৰিছিল। ইয়াৰ চাৰিদিন পাছতে অৰ্থাৎ ১৩ ফেব্ৰুৱাৰীত কেন্দ্ৰই ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসন জাৰি কৰে। সংবিধানৰ নীতি অনুসৰি ৰাষ্ট্ৰপতি শাসন প্ৰথম অৱস্থাত ছমাহৰ বাবে বলৱৎ কৰা হয় আৰু সংসদৰ অনুমোদনক্ৰমে ছমাহৰ ব্যৱধানত ৩ বছৰলৈ এই ম্যাদ বৃদ্ধি কৰিব পাৰি।

ooooo

ৰাজ্যৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে ধোদৰ আলি মেৰামতিৰ কাম-কাজৰ পৰ্যালোচনা কৰে আৰু লোক নিৰ্মাণ বিভাগ আৰু ঠিকাদাৰসকলক ডেৰ মাহৰ ভিতৰত মেৰামতিৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। কাম-কাজৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে আহোম স্বৰ্গদেউ গদাধৰ সিংহই ১৬৮৭ চনত নিৰ্মাণ কৰা এই ঐতিহাসিক সম্পদ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে সমূহীয়া দায়িত্ব। ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰে আহোম যুগৰ গৌৰৱময় নিদৰ্শনৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি আহিছে বুলি উল্লেখ কৰে।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান আৰু পৰ্যটন বিভাগৰ এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। এই  বৈঠকত মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ লগতে আন আঁচনিসমূহৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। ডিব্ৰুগড়ত ৩০ অক্টোবৰৰ ভিতৰত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। পৰ্যালোচনা বৈঠকত বিধায়ক টেৰচ গোৱালা, জিলা আয়ুক্ত বিক্ৰম কৈৰী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু খণ্ড উন্নয়ন বিষয়াসকলৰ লগতে জিলা পৰ্যায়ৰ বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

ooooo

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি চিচিবৰগাঁও বিধানসভা সমষ্টিৰ বৰলুঙত থকা পিএমশ্ৰী পুষ্পধৰ মেম'ৰিয়েল হাইস্কুলৰ গ্ৰন্থাগাৰ আৰু পৰীক্ষাগাৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ ৰূপান্তৰৰ অংশ হিচাপে শিক্ষানুষ্ঠানসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে শিক্ষা বিভাগে গ্ৰহণ কৰা এই পদক্ষেপে বিদ্যালয়সমূহক সৰ্বাংগ সুন্দৰ কৰি তোলাত সহায় কৰিব বুলি সাংসদগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

সমাপ্ত